# ছন্দসজ্জা (১)

## চৰণ আৰু স্তৱক

অনুপৰ্বৰ ক্ষীণ কম্পন আৰু পৰ্বৰ স্পন্দনে কবিতাৰ একোটি চৰণ তৰংগায়িত কৰি তোলে। কিন্তু একোটি চৰণ নিজে সম্পূৰ্ণ হ'লেও ছন্দবিন্যাসৰ সামগ্ৰিকতাৰ সি একোটা সম্পূৰ্ণ অংশহে। এটা চৰণেৰে সৈতে অন্য চৰণ সংযুক্ত হ'লেহে তাৰ ছন্দোময়তা সম্পূৰ্ণ হয়। একাধিক চৰণ সুসংবদ্ধভাৱে বিন্যস্ত হৈ সৃষ্টি কৰা এই ছন্দোবন্ধকে 'স্তৱক' (Stanza)) নামেৰে অভিহিত কৰা হয়।

আমাৰ কাব্যত প্ৰচলিত স্তৱকবোৰৰ পূৰ্ণতা বুজোৱা হয় মিল অৰ্থাৎ চৰণান্তিক ধ্বনিৰ ঐক্যৰ সহায়েৰে। কবিতাৰ এই মিল দৰাচলতে অন্ত্যানুপ্ৰাস অলংকাৰ শাস্ত্ৰৰ হে অন্তৰ্গত। মিলকেই ছন্দৰ সমাৰ্থক ৰূপে গ্ৰহণ কৰোঁতা মানুহ এতিয়াও দুই এজন ওলাব পাৰে। কাৰণ সংস্কৃত বৃত্তছন্দ বাদ দি ভাৰতীয় সকলো ভাষাতে কাব্যত মিল সিদিনালৈকে অপৰিহাৰ্য ৰূপেই ব্যৱহৃত হৈছিল। সেইবাবেই এসময়ত অমিতাক্ষৰ বা অমিত্ৰাক্ষৰ ছন্দসজ্জাক অমিলিতান্ত নামেৰে অভিহিত কৰা হৈছিল।

মিল বা অত্যানুপ্ৰাস

ছান্দসিকৰ দৃষ্টিত 'মিল' অলংকাৰৰ বিষয়-বস্তু হ'লেও ছন্দ শাস্ত্ৰতো মিলৰ সাৰ্থকতা আছে। অনুপ্ৰাস হিচাপে ই কাব্যৰ অলংকাৰ কিন্তু চৰণৰ শেষত ইয়াৰ অৱস্থিতি স্তৱকৰ পূৰ্ণতাৰো সংকেত। তাৰ উপৰি মিলে শ্ৰোতাৰ মনটো এটা মধুৰ প্ৰতীক্ষাৰে সজীৱ কৰি ৰাখে। এটা চৰণৰ অন্তিম ধ্বনিটো কাণত পৰাৰ লগে লগে মন উন্মুখ হৈ থাকে পৰৱৰ্তী চৰণৰ অন্তিম ধ্বনিৰ সাম্যৰ বাবে। ইয়াৰ বাহিৰেও মিলৰ পৰিকল্পনাই ধ্বনি তৰংগৰ লালিত্যৰো সৃষ্টি কৰে। অৱশ্যে মিলেই আকৌ মাজে মাজে গতানুগতিকতাও আনি দিয়ে যি গতানুগতিকতাৰ হাত সাৰিবৰ বাবেই অমিতাক্ষৰ, মুক্তক ইত্যাদি ছন্দসজ্জাৰ পাতনি হ'ল।

আমাৰ কবিতাত একদল অৰ্থাৎ .... এপহীয়া, দ্বিদল অথবা দুইপহীয়া আৰু ত্ৰিদল বা তিনিপহীয়া মিলৰ প্ৰচলন অধিক। একদল মিলক পৌৰুষ মিল আৰু দ্বিদল বা ত্ৰিদল মিলক ললিত মিল নামেৰেও অভিহিত কৰা হয়।

কেৱল মাত্ৰ চৰণ শেষৰ এটা ধ্বনিৰ অনুপ্ৰাস হ'লে তাকে বোলে **একদল** মিল। দুটা ধ্বনিৰ ঐক্য হ'লে বোলা হয় **দ্বিদল** মিল। তিনিটা ধ্বনিৰ ঐক্য হ'লে বোলা হয় ত্ৰিদল মিল। আমাৰ ভাষাত দ্বিদল মিলৰ প্ৰচলনেই অধিক।

ফুলবাৰী খনি পৰিয়েহে আছে
চৰেণে হৰিণাজনী?
কোনে ভুলাইছে মৰমৰ তোৰ
শাৱলী পোৱালি কণী?

—চন্দ্ৰকুমাৰ আগৰৱালা

ত্ৰিদল মিলৰো প্ৰচলন যথেষ্ট।

বিশ্বৰ কথা আছে হে'ৰ গঁথা
পখিলা এটিৰ পাখিতে;
তাকে তুলি লৈ থলোঁ হেৰ মই
মোৰ হাঁহি আৰু পাহিতে।

মিলৰ ক্ষেত্ৰত এটা কথা লক্ষণীয় যে স্বৰৰ মিলৰ হে গুৰুত্ব অধিক; গতিকে কেতিয়াবা বিভিন্ন ব্যঞ্জনযুক্ত স্বৰৰ ধ্বনি ঐক্যইও মিলৰ সৌন্দৰ্য আনে।

তোমাৰ বিয়ালৈ আৰু কেই দিন বাকী? দহ দিন?
মাথোঁ দহ দিন আছে?
এনেদশ নিশা, তুমি যাবা তোমাৰ বাটেদি
মই যাম মোৰ বাটে বাটে।

—দেৱকান্ত বৰুৱা

কেৱল চৰণান্তিক মিলেই নহয় পৰ্বৰ পূৰ্ণতা জ্ঞাপন পৰ্বান্তিক মিলৰো ব্যৱহাৰ এসময়ত অপৰিহাৰ্য আছিল। এতিয়া সেই ব্যৱহাৰ কমি গ'ল।

এক দিনা যদুৰায়।
নিশি অন্ধকাৰে ৰাধাৰ দুৱাৰে
টিলিকি মাৰিলে যাই।।

—ৰাম দেৱ

এই মিলৰ সহায়তেই সাধাৰণতে স্তৱক বিন্যাস কৰা হয়। আমাৰ প্ৰাচীন কবিসকলে এনে স্তৱকৰ সজ্জা অনুসৰি একোটি নাম দি লৈছিল।

আমাৰ কবিতাত দুই চৰণৰ স্তৱকৰেই প্ৰাধান্য। দুই পৰ্বযুক্ত চৰণৰ ক্ষেত্ৰত দুই চৰণীয়া স্তৱকক অকলশৰীয়াকৈ যুগ্মক বোলা হয়।

ছয়াময়া সুখৰ সি। ক্ষন্তেকীয়া হাঁহি;
সুৰভি বিলাই যোৱা গোলাপৰ পাহি।

—লক্ষ্মীনাথ বেজবৰুৱা

এয়েই হ'ল আমাৰ পদ বা পয়াৰৰ ছন্দসজ্জা। প্ৰত্যেক চৰণত ৮+৬=১৪ মাত্ৰা— আৰু চৰণান্তিক ধ্বনি মিলনযুক্ত। ৮+১০=১৮ মাত্ৰাৰ চৰণৰো সন্ধান পোৱা যায়; তেনেকৈৰ দীৰ্ঘপয়াৰ ছন্দসজ্জা। প্ৰাচীন কাব্যধাৰাৰ এই প্ৰত্যেক দুই চৰণৰ মিলৰ গতানুগতিকতাৰ হাত সাৰিবলৈ ৰোমাণ্টিক যুগত প্ৰথমৰ লগত তৃতীয় আৰু দ্বিতীয়ৰ লগত চতুৰ্থ চৰণৰ মিল ব্যৱহাৰ কৰি চাৰি চৰণৰ স্তৱক নিৰ্মাণ কৰা দেখা যায়।

মিলৰ সংকেত হ'ল ক—খ, —ক—খ

প্ৰকৃতিৰ কাম্য বন ঋষিৰ আশ্ৰম (ক)
অমৰ বাঞ্ছিত পুৰী অতি বিতোপন; (খ)
চাৰি দিশ নিজঞ্জাল নিমাত নিজম; (ক)
গম্ভীৰ প্ৰকৃতি যোগী ধ্যানত মগন (খ)

—ৰঘুনাথ চৌধাৰী

পদ বা পয়াৰৰ ছন্দসজ্জাৰে সজ্জিত এই কবিতাত মিলেই হে চাৰি চৰণৰ স্তৱক নিৰ্মাণ কৰাইছে।

নাদুৰি সাঁতুৰি ওপঙি ফুৰিম
নীলিমা লগৰী স'তে,
মেঘ জীয়াৰীয়ে চকুৰ ঠাঁৰেৰে
মাতিব চেনেহী মাতে।

এই স্তৱকটোত চাৰিটা পংক্তি বা শাৰী থাকিলেও তাত চৰণ দুটাহে আছে। ইও দুই চৰণৰ স্তৱকহে। এইটো হ'ল আমাৰ প্ৰচলিত দুলড়ীৰ ছন্দসজ্জা। ইয়াত প্ৰত্যেক চৰণৰ মাত্ৰা সংখ্যা হ'ল—

৬+৬+৮=২০

আৰু দুয়ো চৰণৰ চৰণান্তিক মিল থাকে। আমাৰ ছবি নামৰ ছন্দসজ্জাটোৰো প্ৰত্যেক স্তৱকত দুটা চৰণ। প্ৰত্যেক চৰণত শেষৰ ধ্বনি অনুপ্ৰাসিত। মাত্ৰা পৰিমাণ হ'ল— ৮+৮+১০=২৬

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকক কিবা বিসৰ্জন।
এতাৱন্ত মূৰ্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।

—মাধৱদেৱ

আমাৰ পৰম্পৰাগত সৰহভাগ ছন্দসজ্জা দুই চৰণেৰে গঠিত। আঠ মাত্ৰাৰ চৰণযুক্ত

**গজগতি বা ঝুমুৰাৰপৰা** চৌত্ৰিশ মাত্ৰাৰ চৰণযুক্ত লেচাৰীলৈকে সকলোবোৰেই দুটা চৰণৰ ছন্দসজ্জা। অন্তিম ধ্বনিৰ অনুপ্ৰাসেই স্তৱকৰ পূৰ্ণতা সূচিত কৰে।

**ঝুমুৰাৰ** পৰ্ব সংখ্যা দুই। প্ৰত্যেকটো পৰ্বতে চাৰি মাত্ৰা

পাছে বলি। সূত বান। ।
দিলা হেন। সমিধান। ।

—শঙ্কৰদেৱ

**ঝুনা বা একাৱলীৰ** পৰ্ব সংখ্যা দুই। প্ৰথম পৰ্বত ছয় মাত্ৰা, দ্বিতীয় পৰ্বত পাঁচ মাত্ৰা। ৬+৫=১১

সাগৰ সঙ্কাশ। দেখি পয়াতি।
ত্ৰাসতে কম্পিল। হৃদয় আতি।

—শঙ্কৰদেৱ

**হ্ৰস্ব ঝুনা বা দিগক্ষৰাৰ** চৰণত দুই পৰ্ব। মাত্ৰা সংকেত ৪+৬=১০ মাত্ৰা।

দুষ্ট আঘ। পাতিলেক কাপ।
বাট ভেণ্টি। ভৈল ঘোৰ সাপ।

**কুসুমমালা** ছন্দ সজ্জাত প্ৰত্যেক চৰণত ৬ মাত্ৰাৰ দুই পৰ্ব। ইয়াৰ পাৰ্বন্তিক মিল অপৰিহাৰ্য ৰূপতেই পোৱা যায়।

নমো নিৰঞ্জন। পাতক ভঞ্জন।।
দানৱ গঞ্জন—গোপিকা ৰঞ্জন।।

**মালতী** ছন্দ সজ্জাৰ চৰণত দুই পৰ্ব। মাত্ৰা সংকেত ৮+৭=১৫ মাত্ৰা।

কৰতল কমল ক। মল দল নয়ন। ।

**দুলড়ী আৰু ছবিৰ** প্ৰতি চৰণত পৰ্ব সংখ্যা তিনি। এই বিষয়ে আগতে উল্লেখ কৰা হৈছে।

**লেচাৰীৰ** ছন্দ সজ্জাত চাৰিটা পৰ্বৰে প্ৰত্যেকটো চৰণ গঠিত। মাত্ৰা সংকেত হ'ল—

১০+১০+৮+৬=৩৪

চুলি ধৰি দুঃশাসন বাঘে ধৃতৰাষ্ট্ৰ শ্বশুৰৰ আগে।
ঘস ইলেক মোক অনা। থিনী পৰবাসু। ।
পাঞ্চপতি মোৰ সেহি থানে। বিলাই বিপত্তি ভৈল মানে
আগতে আছিল গান্ধা। ৰিণী জ্যেষ্ঠা শাসু।

**মুক্তাৱলীৰ** প্ৰত্যেক চৰণত পৰ্ব ছটা। মাত্ৰা সংকেত হ'ল ৬+৬+৬+৬+৬+৮=৩৮ মাত্ৰা।

উঠা প্ৰাণেশ্বৰ। কৰিছোঁ কাতৰ
শ্ৰুতি সুখকৰ। শ্ৰীমুখৰ স্বৰ।
কৰিয়া সাদৰ। শুনোৱা বাৰেক মোক। ।
চোৱা চকু মেলি। ৰোষ ঠেস ঠেলি।
নকৰিবা বেলি। যাই প্ৰাণ গেলি।
উঠিকৰা। পাহৰোঁহো যত শোক। ।

—ৰত্নেশ্বৰ মহন্ত

এই আটাইবোৰ ছন্দসজ্জাতে দুই চৰণেৰে স্তৱক বিন্যস্ত হয় আৰু সেই দুয়োটা চৰণেই সমান পৰ্ব আৰু সমান মাত্ৰাৰ। তলৰ বিচিত্ৰ পৰ্ব বিন্যাসযুক্ত ছন্দসজ্জাতো এই চৰণ সাম্য ৰক্ষিত হৈছে।

উদ্ধৱ বদতি নাৰায়ন ক
সনাতন ক
ব্ৰজভুমি মাজে ৰাসৰ মণ্ডল সাৰ।। খ
তাতো কৰি শ্ৰেষ্ঠ পুণ্যতৰ গ
নিৰন্তৰ গ
গোকুল নিবাসী যত আছে গোপী।। খ

কিন্তু **পাঞ্চালী** নামৰ ছন্দসজ্জাত দুই চৰণৰেই স্তৱক যদিও প্ৰথম চৰণ তিনি পৰ্বৰ আৰু দ্বিতীয় চৰণ তিনি পৰ্বৰ।

প্ৰমত্ত মাতঙ্গ। যৈসন পতঙ্গ। নিপাৰল অঙ্গ।।
দশন পাৰি। প্ৰবেশল ৰঙ্গ। ।

—শঙ্কৰদেৱ

এই আটাইবোৰ ছন্দসজ্জাই দুই চৰণেৰে বিন্যস্ত। কিন্তু অপেক্ষাকৃত হ্ৰস্ব মাত্ৰাৰ ঝুনা, একাৱলী আদিৰ যুগ্মক ৰূপ বৰ্জন কৰি ছান্দিক পূৰ্ণতা দান কৰিবৰ বাবে চাৰি চৰণৰ স্তৱকৰ ৰূপ দিয়াৰ লক্ষণ আধুনিক যুগৰ অসমীয়া কবিতাত পোৱা যায়। সেইবাবেই এনেবোৰ ছন্দসজ্জাত দুটা যুগ্মকেৰে অৰ্থাৎ চাৰিটা চৰণেৰেই স্তৱক সজ্জিত

হয়। অৱশ্যে মিলৰ ক্ষেত্ৰত এতিয়া চাৰি চৰণৰ এনে স্তৱকত যুগ্মক ৰূপ পৰিত্যাগ কৰি দ্বিতীয় চৰণৰ সৈতে চতুৰ্থ চৰণৰ মিলন ব্যৱহাৰ কৰা হয়।

সপোনৰ প্ৰথম পুৱাতে
সাৰ পাই উঠিলোঁ যেতিয়া
দেখিছিলোঁ তোমাৰ ছবিটি
জীৱনত প্ৰেমৰ অমিয়া।

—দুৰ্বা

পয়াৰ ছন্দসজ্জাৰ বিষয়ে আলোচনা কৰোঁতে তাৰ চাৰি চৰণৰ স্তৱকৰ কথা উল্লেখ কৰা হৈছে। তিনি চৰণৰ স্তৱকৰ উদাহৰণ অসমীয়া কবিতাত লেখকে এতিয়ালৈকে পোৱা নাই। চুবুৰীয়া বঙলা ভাষাত তেনে চানেকি অলেখ।

পাঁচ চৰণৰ স্তৱকৰ চানেকি তলত দিয়া হ'ল। মিলৰ সংকেত ক খ খ ক ক।

গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী (ক)
শুনিলে অমিয়া মাত (খ)
হৃদয় পৰিব শাঁত (খ)
ললিত মধুৰ স্বৰে জীৱন তোষিণী (ক)
গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী (ক)

—ৰঘুনাথ চৌধাৰী।

ছয় আৰু আঠ চৰণৰ স্তৱক সাধাৰণতে চনেট নামৰ ছন্দসজ্জাটোতে পোৱা যায়।
পৰিশিষ্টত সেই বিষয়ে আলোচনা কৰা হৈছে।